**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-05-2026
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

লখিমপুৰৰ ৰূপামণি গড়ে বিশ্বৰ সৰ্বোচ্চ শৃংগ মাউণ্ট এভাৰেষ্ট আৰোহণ কৰি ৰাজ্যৰ লগতে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। এভাৰেষ্ট জয়ৰ এই অভিযানটোৰ উদ্যোক্তাসকলে জনোৱা মতে অসমৰ ভনিতা টিমুংপিৰ নেতৃত্বত যোৱা ভাৰত তিববতীয় সীমান্ত আৰক্ষী বাহিনীৰ দলটোৱে বৃহস্পতিবাৰৰ পুৱা ৮ বজাৰ পৰা এভাৰেষ্ট শিখৰলৈ অভিযান আৰম্ভ কৰিছিল। দলটোত অনুপ কুমাৰ, পদ্ম টুণ্ডুত, কপিল দেৱ, ষ্টেনজিন কৰল আদি কেইবাজনো ভাৰতীয় পৰ্বতাৰোহী সদস্য আছিল। ৰূপামণি গড়ৰ এই সফলতাত তেওঁৰ গৃহ জিলাত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এভাৰেষ্ট শৃংগত আৰোহণ কৰা প্ৰথমগৰাকী মহিলা পৰ্বতাৰোহী হোৱাৰ কৃতিত্ব অৰ্জন কৰা ৰূপামণি গড়লৈ আৰু দলটোক নেতৃত্বত দিয়া ভনিতা টিমুংপিলৈ অভিনন্দন জ্ঞাপন কৰিছে। দুয়োগৰাকীৰ এই সাফল্যই অসমৰ নতুন প্ৰজন্মৰ বাবে প্ৰেৰণা হৈ ৰ'ব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰিছে।

উল্লেখযোগ্য যে ৰূপামণি গড়ে ২০২০ চনত আই টি বি টি জোৱান হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ কৰে আৰু বিগত সময়ছোৱাত ৰাজ্যৰ সামগ্ৰিক উন্নয়ন যাত্ৰাত আগবঢ়োৱা সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। বৈঠকত ড০ শৰ্মাই কেন্দ্ৰীয় উন্নত অসম গঢ়াৰ লক্ষ্যৰে আন্তঃগাঁথনি বিনিয়োগ, উদ্যোগ আৰু জনকল্যাণ শক্তিশালী কৰাৰ দিশত ভৱিষ্যতৰ পৰিকল্পনা সম্পৰ্কে বিত্তমন্ত্ৰীগৰাকীৰ সৈতে বিশদভাৱে আলোচনা কৰে।

০০০০

ৰাজ্য চৰকাৰে অম্ৰুট আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত নগৰাঞ্চলৰ উন্নয়নৰ বাবে ৮৬১ কোটিৰো অধিক টকা বিনিয়োগেৰে ৫৮ টা প্ৰকল্পৰ কাম আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয়, যে ৰাজ্যৰ নগৰ-চহৰসমূহৰ দৈনন্দিন জীৱন উন্নত কৰাৰ উদ্দেশ্যে ৰূপায়ণ কৰা এই প্ৰকল্পসমূহৰ জৰিয়তে উন্নত পানী যোগান, ক্ৰয় প্ৰণালী আৰু গুৰুত্বপূৰ্ণ জলাশয়সমূহৰ পুনৰুজ্জীৱিতকৰণত গুৰুত্ব আৰোপ কৰা হৈছে। এই প্ৰকল্পসমূহে ৰাজ্যৰ হাজাৰ হাজাৰ পৰিয়ালক বিশুদ্ধ খোৱাপানী আৰু উন্নত অনাময় সুবিধা লাভ কৰাত সহায় কৰিব। শক্তিশালী নগৰীয়া আন্তঃগাঁথনি গঢ়ি তুলি নৰাঞ্চলৰ উন্নয়ন ত্বৰান্বিত কৰাৰ উদ্দেশ্যে অম্ৰুত আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ পৰিকল্পনা কৰা হৈছে। এই আঁচনিৰ

অধীনত জনসাধাৰণৰ জীৱন ধাৰণ উন্নত কৰা আৰু নগৰাঞ্চলৰ সুবিধাৰ আধুনিকীকৰণৰ বাবে বিভিন্ন চহৰত কাম কৰা হ'ব। ইয়াৰ উপৰি পুখুৰী আৰু জলাশয়সমূহৰ পুনৰুজ্জীৱিতকৰণত গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০

উৎকোচ লোৱাৰ অপৰাধত গ্ৰেপ্তাৰ হোৱা অসম অসামৰিক সেৱাৰ বিষয়া লাচিত কুমাৰ দাসৰ বাসগৃহত দূৰ্নীতি নিবাৰণী আৰু তদাৰকী সঞ্চালকালয়ে যোৱা দুদিন ধৰি চলোৱা অভিযানত ১ কোটি ৬৬ লাখতকৈও অধিক নগদ ধন জব্দ কৰিছে। অভিযুক্ত দাসৰ বেলতলা বাসগৃহৰ পৰা ৪৮ লাখ ৩৮ হাজাৰ ১৫০ টকা জব্দ কৰাৰ পাছত কালি অভিযুক্ত বিষয়াগৰাকীৰ নামত থকা আন এটা ফ্লেটত আৰক্ষীয়ে পুৱতি নিশা পৰ্যন্ত অভিযান চলাই এক কোটি ১৮ লাখ ৩০ হাজাৰ টকা জব্দ কৰে। ইপিনে সঞ্চালকালয়ৰ অনুসন্ধানত অভিযুক্ত দাসৰ বহু সা-সম্পত্তি থকাৰ তথ্য উদ্ধাৰ হৈছে। এই সন্দৰ্ভত দূৰ্নীতি নিবাৰণী আৰু তদাৰকী সঞ্চালকালয়ৰ উপ মহা পৰিদৰ্শক বেদান্ত মাধৱ ৰাজখোৱাই কয়, যে অভিযুক্ত দাসৰ ৰহাত এক বিঘা, হোজাইত ৪ কঠা ১১ লেচা, গুৱাহাটীত দুটা ফ্লেট, গুৱাহাটীতে এটা স্থানত ১ কঠা ৬৭ লেচা আৰু আন এটা স্থানত এক কঠা ১০ লেচা ভূমি আছে। তদুপৰি অভিযুক্ত দাসে আহৰণ কৰা বিভিন্ন ঠাইৰ ভূ-সম্পত্তিৰ নথি-পত্ৰও জব্দ কৰা হৈছে। ইপিনে লাচিত কুমাৰ দাসৰ ৰুক্মিনীগাওঁৰ এ চি এছ কলনি এপাৰ্টমেণ্টত সঞ্চালকালয়ে আজি পুনৰ অভিযান চলায়। এই অভিযানত অভিযুক্ত বিষয়াগৰাকীৰ অনুজ্ঞাপত্ৰ থকা পিষ্টল, কেইবাখনো বেংকৰ পাছবুক, বহু ভূমি ক্ৰয়ৰ নথি পত্ৰও জব্দ কৰা হয়।

০০০০

চিৰাং জিলাৰ বিজনী মহকুমাৰ অন্তৰ্গত লাকৰিগুৰিস্থিত সশস্ত্ৰ সীমাবলৰ ৫৪ নম্বৰ বেটেলিয়নৰ মুখ্য কাৰ্যালয়ত আজি বাহিনীটোৰ চতুৰ্দশ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। এই অনুষ্ঠানত গুৱাহাটী ফ্ৰণ্টিয়াৰ মুখ্য কাৰ্যালয়ৰ ডি আই জি হেমেন বসন্ত কুমাৰ সিং মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই উপলক্ষে বিভিন্ন জনগোষ্ঠীৰ গীত নৃত্য প্ৰদৰ্শন কৰা হয়।

০০০০

দৰং জিলাৰ পাথৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ঘণ্টিৰ চন্দ্ৰ ডেকাৰ আজি বাৰ্ধক্যজনিত কাৰণত তেওঁৰ কাইকীয়াপাৰাৰ নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৬ বছৰ। তেওঁ পাথৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হিন্দী শিক্ষক হিচাপে কাৰ্য নিৰ্বাহ কৰি ২০09 চনত অৱসৰ গ্ৰহণ কৰিছিল।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্মৌ ছুপাৰ জায়েণ্টছে-পঞ্জাৱ কিংছক জয়ৰ বাবে ১৯৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। লক্ষ্মৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেট হেৰুৱাই ১৯৬ ৰান সংগ্ৰহ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ